**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-June-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বিভিন্ন জিলাৰ অভিভাৱক মন্ত্ৰীক আজি নিযুক্তি। সাতদিনৰ ভিতৰত নতুন মন্ত্ৰীসকলক দপ্তৰ বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনাৰসকলৰ মৰগীয়া বানচ ৬০ শতাংশলৈ বৃদ্ধি।

৩। বিধায়ক কৃষ্ণকমল তাঁতী আৰু তৰংগ গগৈক মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব হিচাপে নিযুক্তি।

৪। চলিত শিক্ষাবৰ্ষৰ পৰাই ৰাজ্যৰ বিদ্যালয়সমূহত ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ অসমৰ ইতিহাস আৰু ভূগোল বাধ্যতামূলক কৰাৰ বাবে এছ চি ই আৰ টিৰ সিদ্ধান্ত।

*আৰু*

৫। চণ্ডিগড় ক্ৰিকেট ষ্টেডিয়ামত আজি আলহী দল আফগানিস্তানৰ বিৰুদ্ধে ভাৰত টেষ্ট খেলত অৱতীৰ্ণ।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্যিক মন্ত্ৰীসভাত স্থান লাভ কৰা ১২ গৰাকী মন্ত্ৰীৰ শপতগ্ৰহণৰ পাছতেই কালি সন্ধিয়া নৱগঠিত চৰকাৰৰ দ্বিতীয়খন কেবিনেট বৈঠক অনুষ্ঠিত হয়। লোকসেৱা ভৱনত হোৱা কেবিনেট বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি সকলো মন্ত্ৰী উপস্থিত থাকে। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদমাধ্যমক সম্বোধন কৰি কেবিনেট বৈঠকত হোৱা বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই সংবাদমেলত প্ৰকাশ কৰা অনুসৰি অহা সাতদিনৰ ভিতৰত নতুন মন্ত্ৰীসকলক দপ্তৰ বিতৰণ কৰা হ'ব। আনহাতে, আজিৰ ভিতৰতে বিভিন্ন জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই কালিৰ সংবাদমেলতে প্ৰকাশ কৰে। কালিৰ কেবিনেটে ৰাজ্য চৰকাৰৰ সকলো কৰ্মচাৰী আৰু পেঞ্চনাৰসকলৰ মৰগীয়া সকাহ বৰ্তমানৰ ৫৮ শতাংশৰ পৰা বৃদ্ধি কৰি ৬০ শতাংশ কৰাত অনুমোদন জনায়। এই সিদ্ধান্তৰ ফলত ৰাজ্য চৰকাৰৰ ৮ লাখৰো অধিক কৰ্মচাৰী আৰু পেঞ্চনাৰ তাৎক্ষণিকভাৱে উপকৃত হ'ব।

কেবিনেট বৈঠকত গ্ৰহণ কৰা আন এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত হ'ল – বিধায়ক উন্নয়ন পুঁজিৰ ধন এইবছৰ ডেৰ কোটি টকালৈ আৰু অহা বিত্তীয় বৰ্ষৰ পৰা এই পুঁজি দুই কোটি টকালৈ বৃদ্ধি। ২ কোটি টকাৰ ভিতৰত ১০ শতাংশ টকা অন্যান্য ব্যয়ৰ বাবে ধৰা হ'ব। অৰ্থাৎ ১ কোটি ৮০ লাখ টকা মূল পুঁজিৰ বাবে ব্যৱহাৰ হ'ব আৰু ২০ লাখ টকা অন্যান্য কামত খৰচ হ'ব।

বাইট (চি এম)

মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা অনুসৰি অহা ৬ জুলাইৰ পৰা ২১ দিনৰ বাবে বিধানসভাৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে বাজেট গৃহীত হোৱাৰ পাছত ১ আগষ্টৰ পৰা ৰাজ্য চৰকাৰৰ প্ৰতিখন আঁচনি পুনৰ নিয়মিতভাৱে কাৰ্যকৰী কৰা হ'ব। কেবিনেটে ৰাজ্যখনৰ দ্বিতীয় ৰাজধানী ডিব্ৰুগড় উন্নয়ন পৰিষদ গঠন কৰি ৰাজধানী চহৰখন ২০ কিলোমিটাৰ ব্যাসাৰ্ধলৈকে উন্নয়নৰ সিদ্ধান্ত গ্ৰহণ কৰে। দ্বিতীয় ৰাজধানী চহখনৰ উন্নয়নৰ বাবে ৫০০ কোটি টকা ধাৰ্য কৰাৰ লগতে ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনক দ্বিতীয় ৰাজধানীৰ অধ্যক্ষ হিচাপে অনুমোদন জনায়। অধ্যক্ষগৰাকীয়ে কেবিনেট মৰ্যাদা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদমেলত প্ৰকাশ কৰে। দ্বিতীয়

ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণ ডিব্ৰুগড়ে দ্বিতীয় ৰাজধানী অঞ্চলৰ উন্নয়নৰ সৈতে জড়িত আঞ্চলিক আৰু ক্ষেত্ৰীয় পৰ্যায়ৰ উন্নয়নৰ পৰিকল্পনা প্ৰস্তুত কৰা, বিকাশ কৰিড'ৰ আৰু নগৰ সম্প্ৰসাৰণ এলেকা চিনাক্ত কৰাৰ দায়িত্ব বহন কৰিব। উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ হিচাপে স্থানীয় বিধায়কগৰাকীয়ে কাৰ্যনিৰ্বাহ কৰাৰ লগতে ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ সচিবগৰাকী উপাধ্যক্ষ হিচাপে  থাকিব। একেদৰে ডিব্ৰুগড় জিলা আয়ুক্তগৰাকী সদস্য সচিব হিচাপে আৰু দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চলৰ মুখ্য কাৰ্যবাহী বিষয়া, ডিব্ৰুগড় পৌৰ নিগমৰ আয়ুক্ত আৰু ডিব্ৰুগড় জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া গৰাকী সদস্য হিচাপে থাকিব। ইয়াৰ লগতে জিলাখনৰ সকলো বিভাগৰ জিলা পৰ্যায়ৰ মুৰব্বী বিষয়াসকল পদেন সদস্য হিচাপে থাকিব।

বাইট (চি এম)

কালিৰ কেবিনেটে বিদ্যালয়সমূহৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলক তৃতীয় বৰ্গৰ পদলৈ পদোন্নতি প্ৰক্ৰিয়া সু-সংগঠিত আৰু নিয়ন্ত্ৰিত কৰাৰ উদ্দেশ্যে অসম মাধ্যমিক শিক্ষা সেৱা বিধি, ২০২৬-ৰ সংশোধনী প্ৰস্তাৱত অনুমোদন জনায়।

ইপিনে, মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰঙাপৰাৰ বিধায়ক কৃষ্ণকমল তাঁতী আৰু নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈক মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব হিচাপে নিযুক্তি দিয়ে।

০০০০০০

চলিত ২০২৬-২৭ শিক্ষাবৰ্ষৰ পৰাই ৰাজ্যৰ বিদ্যালয়সমূহত ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ অসমৰ ইতিহাস আৰু ভূগোল বাধ্যতামূলক হ'ব। এই সন্দৰ্ভত বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা প্ৰাথমিক শিক্ষা বিষয়া, জিলা মিছন সমন্বয়ক আৰু শিক্ষক শিক্ষা প্ৰতিষ্ঠানৰ অধ্যক্ষসকললৈ ৰাজ্যিক শৈক্ষিক গৱেষণা প্ৰশিক্ষণ পৰিষদ, এছ চি ই আৰ টিৰ তৰফৰ পৰা নিৰ্দেশ জাৰি কৰা হৈছে। ইয়াৰ লগতে পাঠ্যপুথি, শ্ৰেণীকোঠাত পাঠদান মূল্যায়ন সম্পৰ্কীয় নিৰ্দেশনা সংলগ্ন কৰি দিয়া হৈছে। এছ চি ই আৰ টিৰ সঞ্চালকে জাৰি কৰা নিৰ্দেশনা অনুসৰি দুয়োটা বিষয়ৰে পাঠদান চলিত জুনৰ পৰাই হ'ব। এছ চি ই আৰ টিয়ে ইতিমধ্যে ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ অসমৰ ইতিহাস আৰু অসমৰ ভূগোল শীৰ্ষক পাঠ্যপুথিকেইখন পৃথকে পৃথকে প্ৰণয়ন কৰি উলিয়াইছে। মূলতঃ অসমৰ সমৃদ্ধ ইতিহাস আৰু ভৌগোলিক বৈচিত্ৰ্ৰ বিষয়ে শিক্ষাৰ্থীসকলৰ জ্ঞান অৰ্জনৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০০

চি বি এছ ইয়ে দ্বাদশ শ্ৰেণীৰ উত্তৰ বহীত প্ৰাপ্ত নম্বৰ পৰীক্ষণ আৰু পুনৰ মূল্যায়নৰ বাবে আবেদন পত্ৰ জমা দিয়াৰ অন্তিম দিন কাইলৈ ধাৰ্য্য কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ডে কয়, যে শিক্ষাৰ্থীসকলে কাইলৈ মাজনিশা পৰ্যন্ত আবেদন পত্ৰ দাখিল কৰিব পাৰিব। শিক্ষাৰ্থীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি চি বি এছ ই কৰ্তৃপক্ষই এই সিদ্ধান্ত লোৱা বুলি প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে আবেদনপত্ৰ দাখিলৰ অন্তিম দিন ৬ জুন বুলি ঘোষণা কৰা হৈছিল।

০০০০০০

অসমীয়া চলচ্চিত্ৰ জগতৰ এগৰাকী যশস্বী সংগীত পৰিচালক আৰু কণ্ঠশিল্পী ৰমেন বৰুৱাৰ আজি ওপজা দিন। এইগৰাকী প্ৰথিতযশা শিল্পীয়ে ১৯৫৯ চনত মুক্তি পোৱা নিপ বৰুৱাৰ ছবি **আমাৰ ঘৰ**ৰ যুটীয়া সংগীত পৰিচালক হিচাপে ছবিৰ সংগীত পৰিচালনাত জড়িত হৈ পৰিছিল। পৰৱৰ্তী সময়ত অৰ্থাৎ ১৯৬৯ চনত তেওঁ **ড০ বেজবৰুৱাত** প্ৰথমবাৰলৈ স্বাধীনভাৱে সংগীত পৰিচালনা কৰে। দুখন বাংলা ভাষাৰ ছবিকে ধৰি মুঠ ২৭ খন ছবিত তেওঁ স্বাধীনভাৱে সংগীত পৰিচলনা কৰিছিল। ৰমেন বৰুৱা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ এগৰাকী স্বীকৃতিপ্ৰাপ্ত কণ্ঠশিল্পী আৰু সুৰকাৰ। তেওঁ কেশৱ মহন্ত, অজিত বৰুৱা, নৱকান্ত বৰুৱা, সতীশ দাস আদি ভালেসংখ্যক গীতিকাৰৰ গীতত সুৰ কৰিছিল। অনিমা  চৌধুৰী, পাহাৰী দাস, যুথিকা চৌধুৰী, নীলিমা খাতুন, কবিতা বৰঠাকুৰ, ৰুণজুন ফুকন আদি কণ্ঠশিল্পীক তেওঁ

ছবিৰ নেপথ্য গায়িকা হোৱাৰ প্ৰথম সুযোগ দিছিল। ভাৰতীয় গণনাট্য সংঘৰ এগৰাকী অগ্ৰণী কৰ্মী ৰমেন বৰুৱাৰ ওপজা দিনটো আজি গুৱাহাটীৰ নিউ আৰ্ট প্লেয়াৰ্ছৰ প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হ'ব। নিউ আৰ্ট প্লেয়াৰ্ছৰ কাৰ্যকৰী সদস্য তথা শিল্পী হুমায়ুন চৌধুৰীয়ে আজিৰ কাৰ্যসূচী সন্দৰ্ভত এইদৰে কয়- ***(বাইট)***

০০০০০০

ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ চৌহদৰ পৰা ভাৰতীয় ডাক সেৱা অচিৰেই আৰম্ভ হ'ব। এই সন্দৰ্ভত কানৈ মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু ডাক বিভাগৰ মাজত কালি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া আৰু ডাক বিভাগৰ হৈ ডিব্ৰুগড় মণ্ডলৰ ডাক অধীক্ষক হীৰেন কুমাৰ গগৈয়ে এই চুক্তিত স্বাক্ষৰ কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষই জনোৱা মতে অচিৰেই আৰম্ভ হ'বলগীয়া এই সেৱা ডি এইছ এছ কে মহাবিদ্যালয় উপ-ডাকঘৰ নামে পৰিচিত হ'ব। এই ডাক ঘৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ জনতাই ডাক সেৱা, বেংকিং সেৱাৰ লগতে বিভাগৰ অন্যান্য সংলগ্ন সেৱাসমূহ লাভ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

ডিব্ৰুগড় আৰক্ষীয়ে কালি মাদকদ্ৰব্য বিৰোধী অভিযান চলাই আমোলাপট্টীৰ পৰা এজন সৰবৰাহকাৰীক আটক কৰাৰ লগতে বৃহৎ পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰে। আমোলাপট্টী ৰে'ল ক্ৰছিঙৰ সমীপত কালি নিশা চলোৱা এই অভিযানত শেখৰ নামৰ সৰবৰাহকাৰীজন আৰক্ষীৰ জালত পৰে।

০০০০০০

ভাৰত আজি চণ্ডিগড়ৰ মোল্লানপুৰৰ মহাৰাজা যাদৱীন্দৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত আলহী দল আফগানিস্তানৰ বিৰুদ্ধে এখন টেষ্ট খেলত অৱতীৰ্ণ হ'ব। ২০১৮ চনৰ পাছৰ পৰা এয়া হ'ব ভাৰত আৰু আফগানিস্তানৰ মাজৰ প্ৰথমখন টেষ্ট মেচ। শুভমন গীলে ভাৰতীয় দলটোক নেতৃত্ব দিব। খেলখন পুৱা চাৰে ৯ বজাত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে, দীৰ্ঘদিনৰ অন্তত ভাৰত ভ্ৰমণ কৰা দলটোৱে একমাত্ৰ টেষ্ট খেলখনৰ উপৰি তিনিখনীয়া এদিনীয়া শৃংখলাতো ভাগ ল'ব। খেল কেইখন ক্ৰমে অহা ১৩, ১৭ আৰু ২০ জুনত অনুষ্ঠিত হ'ব।

০০০০০০

NPR 06/06/2026

**অসম মন্ত্ৰীসভাৰ নতুন সদস্যৰূপে ১২গৰাকী বিধায়কৰ শপত গ্ৰহণ, মন্ত্ৰীসভাত স্থানীয় নেতাই স্থান নোপোৱাত দল-সংগঠনৰ বিক্ষোভ, ৰাজ্যিক কেবিনেট বৈঠকত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্ত, গুৱাহাটীৰ বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰি আজি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।**

**ইয়াৰ অসম মন্ত্ৰীসভা সম্প্ৰসাৰণৰ বাতৰিটো দৈনিক জনমভূমি কাকতে - "জ্যোতি বিষ্ণু কলা মন্দিৰত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান, ১২ মন্ত্ৰীৰ শপত, নতুন যাত্ৰা" - দৈনিক অগ্ৰদূত কাকতে - "শপত গ্ৰহণ সম্পন্ন, অপেক্ষা বিভাগলৈ" - আৰু - অসমীয়া প্ৰতিদিন কাকতে - "আড়ম্বৰপূৰ্ণ পৰিৱেশত ১২ নতুন মন্ত্ৰীৰ শপত" শিৰোনামেৰে প্ৰকশ কৰিছে।** একেটা বাতৰিৰে দি আছাম ট্ৰিবিউন কাকতত শীৰ্ষক - "STATE CABINET EXPANSION - 12 MLAs take oath as Ministers" .

ইপিনে, নতুন মন্ত্ৰীসকলৰ শপত গ্ৰহণৰ বিপৰীতে ৰাজ্যৰ কেইবাখনো জিলাত স্থানীয় জনপ্ৰতিনিধি বঞ্চিত হোৱাকলৈ বিক্ষোভ কাৰ্যসূচী ৰূপায়িত হৈছে। এই সম্পৰ্কীয় একোটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে "মন্ত্ৰীসভাত স্থান নিদিয়াত ক্ষোভ - মৰাণ মটক সংগঠনৰ বন্ধত ডিব্ৰুগড় তিনিচুকীয়া জিলা স্তব্ধ" আৰু দৈনিক অসম কাকতে "মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি নৰখাৰ ক্ষোভ, ৰাজপথত জ্বলিল টায়াৰ, ডিব্ৰুগড়-তিনিচুকীয়াৰ ঠায়ে ঠায়ে মৰাণ মটকৰ সৰ্বাত্মক প্ৰভাৱ" শিৰোনামেৰে প্ৰথম পৃষ্ঠান স্থান দিছে।

মন্ত্ৰীসভা সম্প্ৰসাৰণৰ পাছতে কালি নৱগঠিত চৰকাৰৰ দ্বিতীয়খন কেবিনেট বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত লোৱা সিদ্ধান্তসমূহ সন্দৰ্ভতো আজি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে। দা ছেন্টিনেল কাকতত বাতৰিটোৰ শীৰ্ষক "DISPUR TO SPEND RS 500 CRORE FOR SECOND CAPITAL REGION, CABINET INCREASES DA OF STATE GOVERNMENT EMPLOYEES BY 2%. দৈনিক অগ্ৰদূত কাকতেও বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটীৰ জালুকবাৰীত হোৱা এটা অগ্নিকাণ্ডৰ ঘটনাত সন্তান-অভিভাৱকসহ একেটা পৰিয়ালৰ ৪ গৰাকী লোকৰ মৃত্যুৰ দুঃখজনক খবৰ এটা আজি অসমীয়া খবৰ কাকতে আগস্থান দিছে। আমাৰ অসম কাকতেও বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিবিচিৰ বিশ্বখ্যাত ৯খন দৃষ্টিনন্দন আলোকচিত্ৰৰ মাজত গুৱাহাটীত অনুষ্ঠিত হৈ যোৱা বাগুৰুম্বা দ'হৌ অনুষ্ঠানৰ এখন চিত্ৰই দ্বিতীয় স্থান লাভ কৰাৰ বাতৰি এটা নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক আমি বাতৰিৰ মাজলৈ উভতি যাওঁ।

oooooo

গুৱাহাটীৰ উদ্যোগপতি তথা ভৰালী ব্ৰাদাৰ্ছৰ স্বত্বাধিকাৰী নয়ন ভঁৰালীৰ যোৱানিশা উজান বজাৰৰ বাসগৃহত ৯০ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটিছে। তেওঁ দীৰ্ঘদিন ধৰি স্মৃতিবিভ্ৰম ৰোগত আক্ৰান্ত হৈ আছিল। উল্লেখযোগ্য যে ভৰালী ব্ৰাদাৰ্ছ গুৱাহাটীৰ আটাইতকৈ পুৰণি আৰু প্ৰতিষ্ঠিত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ ভিতৰত অন্যতম।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

oooooo

*ঃঃ সমাপ্ত ঃঃ*